
সাহিত্যৰ ৰূপৰেখা

# ৰবাৰ্ট ব্ৰাউনিঙৰ কবিতাত নাৰী

## প্ৰেমৰ এনে নিষ্ঠুৰ পৰিণতি সঁচাকৈয়েই হৃদয়বিদাৰক

ড° নিভাৰাণী ফুকন





**ইংলণ্ডৰ** সমাজ আৰু সাহিত্যৰ ইতিহাসত ঊনবিংশ শতিকাটো এটা গুৰুত্বপূৰ্ণ কাল। ইংলণ্ডৰ ইতিহাসত ভিক্টোৰীয়া যুগ নামে খ্যাত এই যুগটোৱে সমসাময়িক ইউৰোপীয় ৰাজনীতি, সমাজ, সাহিত্য, কলা আদিকো প্ৰভাৱিত কৰিছিল। সেই সময়ৰে কবি ৰবাৰ্ট ব্ৰাউনিঙৰ কবিতাত সমসাময়িক যুগটোৰ সাৰ্থক প্ৰতিচ্ছবি উদ্ভাসিত হয়। এখন সমাজ যেতিয়া উন্নতিৰ শিখৰত উপনীত হয়, তেতিয়াই সেই সমাজৰে কোনোবা এটা দুৰ্বল প্ৰান্তত এনে কেতবোৰ বা একোটা উপাদান বা পৰিস্থিতিয়ে মূৰ দাঙি উঠে, যিয়ে সমাজখনক এফালৰ পৰা ভাঙোনমুখী বা ফোঁপোলা কৰি আনে। ইংলণ্ডৰ ভিক্টোৰীয় যুগত দেখা দিয়া কিছুমান স্ববিৰোধী স্থিতিয়ে সমাজ জীৱন তথা ব্যক্তি জীৱন জোঁকাৰি পেলাইছিল। যুগৰ সেই স্ববিৰোধী স্থিতিয়ে ধৰ্মীয় চিন্তা, শিক্ষা, সামাজিক আচাৰ-ব্যৱহাৰ, ব্যক্তিৰ মাজৰ পাৰস্পৰিক সম্পৰ্ক, নৈতিকতা আদি বিবিধ বিষয়ক প্ৰভাৱিত কৰিছিল। সেই সময়ৰ এগৰাকী লেখৰ সাহিত্যিক ৰবাৰ্ট ব্ৰাউনিঙৰ ৰচনাত ভিক্টোৰীয় যুগৰ চিন্তাত প্ৰত্যক্ষ কৰিবলৈ পোৱা স্ববিৰোধী স্থিতিয়ে কলাত্মক ৰূপ পৰিগ্ৰহণ কৰিছিল। তেওঁৰ কাব্য ৰচনাত নাৰী, প্ৰেম, প্ৰতিহিংসা, নৈতিকতা আদি বিবিধ প্ৰসংগই স্থান পাইছিল।

সহজ ভাষাত ক'বলৈ গ'লে ভিক্টোৰিয়ান জীৱনচৰ্যাৰ মূল নীতি আছিল নৈতিকতাৰ আধাৰত প্ৰতিষ্ঠিত এখন আদৰ্শবাদী সমাজ। এফাল তীব্ৰ ঔদ্যোকীকৰণৰ ফালে ধাৱমান এখন উচ্চাকাংক্ষী সমাজ আৰু আনফালে ব্যক্তি জীৱনক সংযত ('শৃংখলিত') কৰিবলৈ সমাজৰ বৰমূৰীয়াসকলে গৃহীত কৰা 'নৈতিকতাৰ চনদ'। ইয়াত 'শৃংখলিত' আৰু 'নৈতিকতাৰ চনদ' শব্দকেইটা বিশেষ অৰ্থত ব্যৱহাৰ কৰা হৈছে। আলোচ্য কবি ৰবাৰ্ট ব্ৰাউনিঙে তেওঁ বাস কৰা সমাজখনৰ বেজীৰ জলঙাৰে মনা, কুঠাৰৰ জলঙাৰে নমনা বিধি-ব্যৱস্থা দেখি ক্ষোভিত হৈছিল। তেওঁৰ সেই ক্ষোভৰ কলাত্মক, ৰসাল প্ৰতিফলন ঘটিছে তেওঁৰ বহু আলোচিত, বহু পঠিত ৰসাল কবিতা 'ফ্ৰা লিপ্পো লিপ্পি'ৰ মাজেদি। এই মনোৰম কবিতাটোত এগৰাকী কম বয়সীয়া খ্ৰীষ্টিয়ান ভিক্ষুৰ ব্যথা ভৰা জীৱন গাথাৰ লগতে প্ৰচলিত ব্যৱস্থাই তেওঁলোকৰ নিচিনাবোৰক জোৰকৈ স্বাভাৱিক যৌন ক্ষুধা দমন কৰিবলৈ দিয়া ব্যৱস্থাৰ কথা ৰসালভাৱে বৰ্ণনা কৰিছিল। অথচ সেই একে 'কঠোৰ সংযমশীল' মঠাধিকাৰে কেৱল পুৰুষৰ প্ৰৱেশ থকা মঠলৈ নিজৰ 'সম্বন্ধীয়' ভতিজা জী হেৰোডিয়াচক অসুখ হ'লে তেওঁৰ আল-পৈচান ধৰিবলৈ মঠলৈ মাতি আনে। তৰুণ ভিক্ষুজনে মঠৰ শ্বাসৰুদ্ধকৰ পৰিবেশৰ পৰা পৰিত্ৰাণ পাবলৈ নিশাৰ অন্ধকাৰৰ সুযোগ লৈ পানশালালৈ গৈছে আৰু মুকলিমূৰীয়া জীৱনৰ আস্বাদ লৈছে। তেওঁৰ সন্দেহজনক গতিবিধি দেখি নগৰৰক্ষীয়ে তেওঁক সোধ-পোছ কৰিছে। সেই সোধ-পোছৰ সাৰভাগকে Dramatie monalogueৰ মাধ্যমেদি কবি ব্ৰাউনিঙে বৰ্ণনা কৰিছে। ডেকা ভিক্ষুৰ স্পষ্ট কথা-বতৰাৰ পৰা এইটো ধাৰণা কৰিব পাৰি যে অহৰহ লোকক নৈতিকতা আৰু কঠোৰ সংযমশীলতা অভ্যাসৰ শিকনি দিয়া মঠাধিকাৰজন প্ৰকৃতাৰ্থত এজন ভণ্ড, কামুক পুৰুষ। তেওঁ তেওঁৰ শ্বাসজনিত অসুখৰ সুযোগ লৈ তেওঁৰ ৰক্ষিতাগৰাকীক মঠলৈ আমন্ত্ৰণ কৰি আনে। অথচ সৃষ্টিশীল ক্ষমতাৰ অধিকাৰী সেই তৰুণ ভিক্ষুৰ তুলিকাত মঠাধিকাৰৰ 'ভতিজা জী'ৰ প্ৰতিকৃতিয়ে জীৱন্ত ৰূপ লাভ কৰাত মঠাধিকাৰ অসন্তুষ্ট হৈছে। এইদৰে এই কবিতাটোৰ মুখ্য চৰিত্ৰটোৰ মাজেদি কবি ব্ৰাউনিঙে নৈতিকতাৰ প্ৰশ্নক লৈ জড়িত কিছুমান বিশেষ কথা উত্থাপন কৰিছে।

ঔদ্যোগীকৰণৰ লগত ন ন আৱিষ্কাৰ, ব্যৱহাৰিক জীৱনৰ বিভিন্ন ক্ষেত্ৰত কাৰ্যকুশলতাৰে সেই আৱিষ্কাৰসমূহৰ প্ৰয়োগ আৰু তাৰ উপযোগিতা জড়িত। ভিক্টোৰীয় যুগৰ ধামখুমীয়াত পৰি সমাজে যি বিচিত্ৰ গতি লাভ কৰিছিল সেয়া সমসাময়িক কালত সাহিত্যিকসকলৰ ৰচনাৰ মাজত সংৰক্ষিত হৈ আছে। বিশেষকৈ এই সময়ৰ সাহিত্যই ব্যক্তিৰ মানসিক জগতখনৰ প্ৰতিও ক্ৰমশঃ অধিক গুৰুত্ব দিব ধৰিলে। ব্যক্তি মনৰ বিচিত্ৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াই তেওঁৰ বাহ্যিক আচাৰ-আচৰণ হিচাপে ধৰা দিয়ে। ভিক্টোৰীয় যুগটোৰ কথা ক'বলৈ গ'লে আমি এগৰাকী প্ৰখ্যাত সাহিত্যিকৰ কথাতে সুৰ মিলাই ক'বলৈ গ'লে সেইটো এটা পৰম্পৰাৰ বৈপৰীত্যমূলক সময় বুলিব লাগিব— এফালে যিদৰে ঐশ্বৰ্যশালিতাই যুগটোক মহীয়ান কৰি তুলিছিল, তাৰ বিপৰীতে সেই একেটা যুগতে আমি চৰম দাৰিদ্ৰ্য আৰু হতাশাগ্ৰস্ত জীৱনৰ ৰূপো প্ৰত্যক্ষ কৰিব পাৰো। এই প্ৰাপ্তি আৰু অপ্ৰাপ্তিৰ মাজত থকা সংঘাত চিৰন্তন। সেই সংঘাতে ভিন্ন প্ৰকাৰে ব্যক্তিৰ মানসিক জগতখনলৈকো প্ৰসাৰিত হয়। এই মানসিক জগতখনৰ দুৱাৰ উন্মোচনকাৰী হিচাপে আমি মনোবিদ চিগমণ্ড ফ্ৰয়েডৰ নাম ল'ব লাগিব। ব্যক্তিৰ মনৰ গহন প্ৰান্তত লুপ্ত হৈ থকা অনেক আশ্চৰ্যকৰ বাৰ্তা এইগৰাকী চিকিৎসক-লেখকে বিশ্ববাসীলৈ আগবঢ়ালে।

অধ্যয়নশীল মনা ৰবাৰ্ট ব্ৰাউনিং তেওঁৰ চৌপাশৰ সমাজখন আৰু তাত সংঘটিত হৈ থকা ঘটনাসমূহৰ প্ৰতি সচেতন আছিল। উচ্চ-নীচ (ধনী-নিৰ্ধনী)ৰ ভেদাভেদ, জাত্যাভিমান, নৈতিকতা, অহংকাৰ আৰু ভণ্ডামি-সমাজ জীৱনত বিষবাষ্প বিয়পোৱা এই নকাৰাত্মক উপাদানসমূহৰ প্ৰতি কবি সচেতন আছিল। তেওঁৰ এটা বিশেষ কবিতা 'পৰ্ফিৰিয়াচ্ লাভাৰ' অত ব্যক্তিৰ অস্বাভাৱিক মানসিকতা আৰু নৈতিকতা-সামাজিক শৃংখলা-বান্ধোন আদি প্ৰশ্নক লৈ কবিয়ে একোটা বিশেষ পৰিস্থিতিৰ চিত্ৰণেৰে এই মনোগ্ৰাহী কবিতাটোক জীৱন্ত ৰূপ প্ৰদান কৰিছে।

ব্ৰাউনিঙে তেওঁৰ এই কবিতাটো পোন প্ৰথমবাৰৰ বাবে Monthly Repositoryৰ ১৮৩৬ৰ জানুৱাৰীৰ সংখ্যাটোত প্ৰকাশ কৰিছিল। কাব্য আলোচকসকলৰ দৃষ্টিত এই কবিতাটো তেওঁৰ এনে এক অদ্বিতীয় ৰচনা য'ত তেওঁ পোন প্ৰথমবাৰৰ বাবে অস্বাভাৱিক মনস্তত্ত্বৰ প্ৰসংগ উত্থাপন কৰিছে। কবিতাটোৱে ঊনবিংশ শতিকাত বিশেষ দৃষ্টি লাভ কৰা নাছিল যদিও বিংশ শতিকাৰ কবিতাৰ আলোচনাত আৰু গভীৰ অধ্যয়নৰ দৃষ্টিৰে বিচাৰ কৰিলে বিংশ শতিকাত এই কবিতাটোৱে গুৰুত্ব লাভ কৰিছে।

ইয়াত পৰ্ফিৰিয়া নামৰ যুৱতী এগৰাকীয়ে বৰ্ষণমুখৰ নিশা সকলো সামাজিক নিয়ম-নীতি উলংঘা কৰি পঁজাঘৰত থকা নিজৰ প্ৰেমিকৰ সান্নিধ্য লাভ কৰিবলৈ উদ্বাউল হৈ আহিছে। প্ৰেমিকজনৰ ওচৰ পাই প্ৰেমিকৰ অভিমানী মুখখন দেখি পৰ্ফিৰিয়াই প্ৰেমিকক মৰমেৰে উপচাই পেলাবলৈ আগবাঢ়িছে। এটা সময়ত তাই নিজৰ বাহু দুটাৰ পৰা বস্ত্ৰ আঁতৰাই দি প্ৰেমিকক তাইক আদৰ কৰিবলৈ আহ্বান জনাবলৈ ইতস্ততঃবোধ কৰা নাই। কিন্তু তাইৰ মেলা চুলিকোচাক ধৰি তাইৰ সেই নিৰ্দয় প্ৰেমিকে তাইৰ সেই চুলিকোচাৰে তাইৰ ডিঙিত মেৰিয়াই শ্বাসৰুদ্ধ কৰি তাইক হত্যা কৰিলে। প্ৰেমিকাক হত্যা কৰি সেই প্ৰেমিকে এটা অদ্ভুত কাৰ্য কৰিলে। সি পৰ্ফিৰিয়াৰ মৃতদেহটোক সম্ভোগ কৰি ওৰে নিশা মৃতদেহটোৰ কাষতে পৰি থাকিল। অথচ তাৰ মনত কোনো ধৰণৰ গ্লানিবোধ বা তেনে এটা পাপকৰ্ম কৰাৰ বাবে কোনো ধৰণৰ মানসিক পৰিৱৰ্তন নহ'ল। Necrophilism অৰ্থাৎ মৃতদেহক সম্ভোগ কৰাৰ বাসনা— যি অস্বাভাৱিক মনস্তত্ত্বৰ এটা লক্ষণ— সেই লক্ষণটো ব্ৰাউনিঙৰ এই বিশেষ কবিতাটোত প্ৰকাশ পাইছে। গতিকে সহজেই অনুমেয় কবি ৰবাৰ্ট ব্ৰাউনিং তেওঁৰ সমসাময়িক সমাজ চিন্তা, জীৱন আৰু ব্যক্তি মনত তোলপাৰ লগোৱা বিচিত্ৰ ভাৱনাৰ প্ৰতি কেনে সূক্ষ্ম দৃষ্টি আছিল।

তদুপৰি ইয়াত কবিয়ে এনে এক সহানুভূতিহীন, নিৰ্দয় মনা পুৰুষৰ ছবি অংকন কৰিছে য'ত সেই পুৰুষে তেওঁৰ প্ৰেয়সীৰ ত্যাগ আৰু দুঃসাহসৰ প্ৰতি সন্মান জনোৱাৰ বিপৰীতে ভৱিষ্যতৰ বিষয়ে আশংকা কৰি চৰম নিষ্ঠুৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। তেওঁ শীতল মস্তিষ্কৰে নিজৰ সেই প্ৰেয়সীক হত্যা কৰিছে আৰু নিৰুদ্বেগভাৱে শৱদেহটোৰ কাষতে ওৰে ৰাতি আছে। প্ৰেমৰ এনে নিষ্ঠুৰ পৰিণতি সঁচাকৈয়েই হৃদয়বিদাৰক।

*Neevarani11@gmail.com*

**যুগৰ** সেই স্ববিৰোধী স্থিতিয়ে ধৰ্মীয় চিন্তা, শিক্ষা, সামাজিক আচাৰ-ব্যৱহাৰ, ব্যক্তিৰ মাজৰ পাৰস্পৰিক সম্পৰ্ক, নৈতিকতা আদি বিবিধ বিষয়ক প্ৰভাৱিত কৰিছিল। সেই সময়ৰ এগৰাকী লেখৰ সাহিত্যিক ৰবাৰ্ট ব্ৰাউনিঙৰ ৰচনাত ভিক্টোৰিয় যুগৰ চিন্তাত প্ৰত্যক্ষ কৰিবলৈ পোৱা স্ববিৰোধী স্থিতিয়ে কলাত্মক ৰূপ পৰিগ্ৰহণ কৰিছিল। তেওঁৰ কাব্য ৰচনাত নাৰী, প্ৰেম, প্ৰতিহিংসা, নৈতিকতা আদি বিবিধ প্ৰসংগই স্থান পাইছিল।